**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-10-2024
**Time :** 7-55 Hrs

***Assamese Morning Bulletin***
**::::::::::::::::::::::::::::::::::::::::**

অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ অধীনত হ'বলগীয়া চতুৰ্থ বৰ্গৰ পদসমূহৰ পৰীক্ষাৰ বাবে আবেদনকাৰী প্ৰাৰ্থীসকলে আজিৰ পৰা প্ৰৱেশ পত্ৰ ডাউনলোড কৰিব পাৰিব। প্ৰাৰ্থীসকলে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ ৱেবছাইট www.site.sebaonline.org আৰু অসম চৰকাৰৰ ৱেবছাইট www.assam.gov.in-ৰ পৰা তেওঁলোকৰ প্ৰৱেশ পত্ৰসমূহ ডাউনলোড কৰিব পাৰিব। উল্লেখযোগ্য যে, অহা ২৭ অক্টোবৰত চতুৰ্থবৰ্গৰ পদসমূহৰ বাবে লিখিত পৰীক্ষা অনুষ্ঠিত হ'ব। সেইদিনা পুৱা ৯ বজাৰ পৰা চাৰে ১১ বজালৈ আই টি আই উত্তীৰ্ণসকলকে ধৰি হাইস্কুল শিক্ষান্ত পৰীক্ষা পৰ্যায়ৰ পদসমূহৰ বাবে আৰু দিনৰ ডেৰ বজাৰ পৰা বিয়লি ৪ বজালৈ অষ্টম শ্ৰেণী পৰ্যায়ৰ পদসমূহৰ বাবে লিখিত পৰীক্ষা অনুষ্ঠিত হ'ব। নিৰ্দেশনাত উল্লেখ থকা অনুসৰি লিখিত পৰীক্ষাৰ দিনা প্ৰাৰ্থীসকলে আধাৰ কাৰ্ড, পান কাৰ্ড, ড্ৰাইভিং লাইচেন্স, ভোটাৰ কাৰ্ডকে ধৰি যিকোনো এখন ফটোযুক্ত পৰিচয়-পত্ৰ, প্ৰৱেশপত্ৰৰ সৈতে দেখুৱাব লাগিব। চতুৰ্থ বৰ্গৰ মুঠ পদৰ সংখ্যা হৈছে ৫ হাজাৰ আৰু অহা ২৭ অক্টোবৰত মুঠ ১৩ লাখ ৭৯ হাজাৰ ১৩২ গৰাকী প্ৰাৰ্থী লিখিত পৰীক্ষাত অৱতীৰ্ণ হ'ব।

০০০০০০০

অসম প্ৰকাশন পৰিষদৰ উদ্যোগত বিগত বছৰৰ দৰে এইবছৰো বিশিষ্ট সাহিত্যিক আৰু প্ৰকাশকসকললৈ **প্ৰকাশন পৰিষদ সাহিত্য বঁটা ২০২৪** প্ৰদানৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ২০২১ চনৰ ১ জানুৱাৰীৰ পৰা ২০২৩ চনৰ ৩১ ডিচেম্বৰৰ ভিতৰত প্ৰকাশিত উপন্যাস, গল্প, নাটক আৰু কাব্যগ্ৰন্থৰ মাজৰ পৰা নিৰ্বাচিত গ্ৰন্থৰ লেখক আৰু প্ৰকাশক দুয়োগৰাকীকে পুৰস্কৃত কৰা হ'ব। এই বঁটাত গ্ৰন্থৰ লেখকক ৫ লাখ টকাৰ সৈতে মানপত্ৰ আৰু প্ৰকাশকক ৩ লাখ টকাৰ লগতে মানপত্ৰ প্ৰদান কৰা হ'ব। নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত প্ৰকাশিত উপন্যাস, গল্প, নাটক আৰু কাব্যগ্ৰন্থৰ লেখক অথবা প্ৰকাশকৰ যিকোনো এগৰাকীয়ে প্ৰ-পত্ৰ পূৰণ কৰি প্ৰেৰণ কৰিব পাৰিব। প্ৰ-পত্ৰৰ সৈতে গ্ৰন্থৰ চাৰিটা কপি অহা ১৫ নৱেম্বৰৰ ভিতৰত পোৱাকৈ প্ৰেৰণ কৰিব লাগিব। প্ৰ-পত্ৰসমূহ assampublicationboard@gmail.com-ৰ জৰিয়তে প্ৰেৰণ কৰাৰ উপৰি ডাকযোগেও প্ৰেৰণ কৰিব পাৰিব।

০০০০০০০

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৬ সংখ্যক জন্মোৎসৱৰ সৈতে সংগতি ৰাখি কালি শ্ৰীলংকাৰ কলম্বোত মহাপুৰুষজনাৰ এটা বৰগীত সিংহলী ভাষালৈ অনুবাদ কৰি বাণীবদ্ধ ৰূপত আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। কলম্বোত থকা ভাৰতীয় উচ্চ আয়োগৰ সাংস্কৃতিক শাখা স্বামী বিবেকানন্দ সাংস্কৃতিক কেন্দ্ৰই এই পদক্ষেপ গ্ৰহণ কৰে। কেন্দ্ৰটোৰ অধ্যাপক অংকুৰণ দত্তই এই অনুষ্ঠানৰ তদাৰক কৰে। **নাৰায়ণ কাহে ভকতি কৰু তেৰা** শীৰ্ষক এই বৰগীতটো গুৰুজনাৰ জন্মোৎসৱৰ অনুষ্ঠানত প্ৰথমবাৰৰ বাবে সিংহলী ভাষালৈ অনুবাদ কৰি পৰিৱেশন কৰা হয়। শ্ৰীলংকাত থকা ভাৰতৰ উচ্চায়ুক্ত ড০ সত্যঞ্জল পাণ্ডে বৰগীতটোৰ শ্ৰব্য চিডি মুকলি কৰে। আনহাতে অধ্যাপক দত্তই

এই অনুষ্ঠানত বৰগীতটো মূল ৰূপতে খোল বজাই পৰিবেশন কৰে। সিংহলী সংস্কৰণটো কলম্বোৰ ভিজুৱেল এণ্ড পাৰ্ফৰ্মিং আৰ্টছ্‌ বিশ্ববিদ্যালয়ৰ জ্যেষ্ঠ অধ্যাপক অছিত আথাপথুৱে পৰিবেশন কৰে।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পুৱা নতুন দিল্লীৰ ভাৰত মন্দপমত আন্তঃৰাষ্ট্ৰীয় দূৰসংযোগ সংঘ, আই টি ইউৰ বিশ্ব দূৰসংযোগ মানক সন্মিলন ২০২৪ মুকলি কৰিব। শ্ৰীমোদীয়ে লগতে ভাৰত মোবাইল কংগ্ৰেছৰ অষ্টম সংস্কৰণো উন্মোচন কৰিব। বিশ্ব দূৰসংযোগ মানক সন্মিলন হ'ল ৰাষ্ট্ৰসংঘৰ ডিজিটেল প্ৰযুক্তি সংস্থা আন্তঃৰাষ্ট্ৰীয় দূৰসংযোগ সংঘৰ কামৰ মান অধিক উন্নত কৰাৰ বাবে প্ৰতি ৪ বছৰৰ মূৰত আয়োজিত প্ৰশাসনীয় সন্মিলন। এইবেলি প্ৰথমবাৰৰ বাবে এই সন্মিলন ভাৰত তথা এছিয়া প্ৰশান্ত মহাসাগৰীয় অঞ্চলত আয়োজন কৰা হৈছে। সন্মিলনত ১৯০ খনতকৈও অধিক দেশৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব।

0000000

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা বোৰ্ডে উচ্চতৰ মাধ্যমিকৰ প্ৰথম বৰ্ষৰ পৰীক্ষাৰ প্ৰশ্নকাকতৰ পদ্ধতি সলনিৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। সেই অনুসৰি ২০২৫ চনত অনুষ্ঠিত হ'বলগীয়া উচ্চতৰ মাধ্যমিকৰ প্ৰথম বৰ্ষৰ পৰীক্ষাত বিজ্ঞান, কলা আৰু বাণিজ্য শাখাৰ ১২টাকৈ বিষয়ৰ প্ৰশ্ন কাকতৰ পদ্ধতি নতুন হ'ব। বিদ্যালয় শিক্ষা বোৰ্ডে এই সন্দৰ্ভত জাৰি কৰা নিৰ্দেশনা অনুসৰি ১২ টাকৈ বিষয়ৰ থিঅ'ৰীৰ মুঠ নম্বৰৰ ৫০ শতাংশ প্ৰশ্ন হ'ব বহু বিকল্পধৰ্মী অৰ্থাৎ এম চি কিউভিত্তিক। এই বহু বিকল্পধৰ্মী প্ৰতিটো প্ৰশ্নৰ বিপৰীতে থাকিব এক নম্বৰকৈ। আনহাতে বাকী ৫০ শতাংশ প্ৰশ্ন অতি চুটি, চুটি আৰু দীঘল হ'ব। বিদ্যালয় শিক্ষা বোৰ্ডৰ নিৰ্দেশনাত উল্লেখ কৰা অনুসৰি বিজ্ঞান শাখাৰ পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান আৰু জীৱ বিজ্ঞান বিষয়ৰ থিঅ'ৰীৰ ৭০ নম্বৰৰ ভিতৰত ৩৫ নম্বৰ বহু বিকল্পধৰ্মী আৰু বাকী ৩৫ নম্বৰ অতি চুটি, চুটি আৰু দীঘল প্ৰশ্ন থাকিব।

0000000

**সমাপ্ত**